# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-07-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি উৰিয়াম ঘাটৰ মধুপুৰ অঞ্চলত উচ্ছেদ হ'বলগীয়া ঠাইসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। বন বিভাগৰ জাননী লাভ কৰাৰ পাছতে কেইবাশ দখলকাৰীয়ে উৰিয়ামঘাটৰ পৰা অন্য ঠাইলৈ ৰাওনা হোৱাৰ বিষয়টোত মুখ্যমন্ত্ৰীয়ে সন্তুষ্টি প্ৰকাশ কৰে। উৰিয়ামঘাট অঞ্চলত সন্দেহযুক্ত নাগৰিকৰ একোটাকৈ পৰিয়ালে ২০০ৰ পৰা ৪০০ বিঘা মাটি দখল কৰি আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত কয়, যে কাছাৰ, শ্ৰীভূমি, ধুবুৰী, বৰপেটা, হোজাই, নগাঁও, মৰিগাঁৱৰ উপৰি বিহাৰৰ পৰাও বিভিন্ন লোকে আহি উৰিয়ামঘাটত বসতি কৰিছে। ড০ শৰ্মাই বিদ্যাপুৰ অঞ্চলৰ দুই নম্বৰ মধুপুৰ গাঁৱত দখলকাৰীয়ে ৰোপণ কৰা বৃহৎ তামোলবাৰীও পৰিদৰ্শন কৰে। বন বিভাগৰ জাননী অনুসৰি অহা ২৭ জুলাইৰ পৰা উৰিয়ামঘাটত উচ্ছেদ চলোৱা হ'ব। উচ্ছেদৰ পাছত এই ভূমিৰ সদ্ব্যৱহাৰৰ বাবে চৰকাৰে পৰিকল্পনা গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে উৰিয়ামঘাটত উচ্ছেদিত লোকসকলৰ ৮ জনীয়া এটা পৰিয়াল হোজাইত প্ৰৱেশ কৰাৰ কথা আমাৰ সংবাদদাতাই জানিবলৈ দিছে। উৰিয়ামঘাটৰ দয়ালপুৰৰ পৰা লোকসকল হোজাইৰ পশ্চিম যোগীজান অভিমুখে গৈ থকাৰ সময়ত স্থানীয় ৰাইজে তেওঁলোকৰ বাহন দুখন জব্দ কৰে। পৰৱৰ্তী সময়ত হোজাই আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ উৰিয়ামঘাটৰ পৰা অহা লোকসকলক সোধ-পোচৰ বাবে আৰক্ষী থানালৈ লৈ যায়।

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ উন্নয়নমূলক আঁচনিসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। ড০ শৰ্মাই আজি ৬৫ কোটি টকা ব্যয় সাপেক্ষে ডিব্ৰুগড়ত নিৰ্মাণ হ'বলগীয়া মন্ত্ৰীসকলৰ কাৰ্যালয়, মুখ্য সচিব আৰু অতিৰিক্ত মুখ্য সচিবৰ কাৰ্যালয়কে ধৰি সচিবালয় চৌহদ আৰু সন্মিলন কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানত চিকিৎসা শিক্ষা আৰু গৱেষণা আদি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা আৰু পৰিবহণ মন্ত্ৰী যোগেন মহন উপস্থিত থাকে।

তেওঁৰ চাৰি দিনীয়া ডিব্ৰুগড় আৰু তিনিচুকীয়া ভ্ৰমণৰ অন্তিম দিনটোত আজি মন্ত্ৰী আৰু বিধায়কসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। তেওঁ জিলাসমূহৰ আন্তঃগাঁথনি উন্নয়ন আৰু জনকল্যাণমূলক আঁচনিৰ ফলপ্ৰসূ ৰূপায়ণ নিশ্চিত কৰাৰ বাবে মন্ত্ৰী-বিধায়কসকলক জনসাধাৰণৰ সৈতে অধিক সক্ৰিয়ভাৱে জড়িত হ'বলৈ আহ্বান জনায়।

০০০০

গুৱাহাটী জলবোৰ্ডে কাইলৈ মেৰামতিৰ বাবে মহানগৰীৰ কেইবাটাও স্থানত পানীযোগান ব্যাহত হোৱাৰ কথা প্ৰকাশ কৰিছে। গুৱাহাটী মহানগৰীৰ খাৰঘুলি, জয়পুৰ, হিৰিম্বাপুৰ, বনকোঁৱৰ, উজানবজাৰ, লতাশিল, বাৰোবাৰী, শিলপুখুৰী, পানবজাৰ, মাছখোৱা, ফাঁচিবজাৰ, বিৰুবাৰী, কুমাৰপাৰা আদি এলেকাত কাইলৈ পানী যোগান ব্যাহত হ'ব বুলি জলবোৰ্ডে প্ৰকাশ কৰে।

oooo

চিৰাং জিলাৰ সদৰ কাজলগাঁৱত আজি বিটিআৰৰ ভূমি সংক্ৰান্তীয় মিছন বৈসুমতীৰ দ্বিতীয় পৰ্যায়ৰ বাবে এখন সজাগতা সভা অনুষ্ঠিত হয়। চিদলি বিধানসভাৰ বিধায়ক নিৰ্মল কুমাৰ ব্ৰহ্মৰ সভাপতিত্বত কাজলগাঁৱৰ পৌৰসভাৰ সভাকক্ষত অনুষ্ঠিত হোৱা সভাখনত চিদলি ৰাজহ চক্ৰ বিষয়া, বিটিচিৰ কাৰ্যবাহী সদস্য আৰু বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধি উপস্থিত থাকে। সভাত বিধায়কগৰাকীয়ে মিছন বৈসুমতীৰ বিষয়ে বিতং ব্যাখ্যা আগবঢ়োৱাৰ লগতে ভূমিহীন লোকসকল ইয়াৰ দ্বাৰা উপকৃত হোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

oooo

মহাবিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈ উন্নীত হোৱা সাতখন নতুন বিশ্ববিদ্যালয়ৰ উপাচাৰ্যসকলে আজি ৰাজভৱনত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত শপত গ্ৰহণ কৰে। ৰাজ্যপাল তথা বিশ্ববিদ্যালয়সমূহৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্যই নৱনিযুক্ত উপাচাৰ্যসকলক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱায়। অনুষ্ঠানত মহাদেৱ পাটগিৰীয়ে শিৱসাগৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, গণেশ চন্দ্ৰ ৱাৰিয়ে কোকৰাঝাৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, নিৰঞ্জন ৰয়ে গুৰুচৰণ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, জ্যোতি প্ৰসাদ শইকীয়াই জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, ডঃ হিতেশ ডেকাই নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, মুকুল বৰাই উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আৰু তৰণী চন্দ্ৰ ডেকাই বঙাইগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে শপতগ্ৰহণ কৰে। ৰাজ্য চৰকাৰে যোৱা ১৪ জুলাইত নতুনকৈ উন্নীত হোৱা বিশ্ববিদ্যালয়সমূহত উপাচাৰ্য নিযুক্তিৰ কথা ঘোষণা কৰিছিল।

oooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত **'গ্ৰীষ্মকালীন শিবিৰ'** সম্পৰ্কত এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত আয়োজিত গ্ৰীষ্মকালীন শিবিৰৰ প্ৰাসংগিকতা সন্দৰ্ভত আকাশবাণীৰ সংবাদদাতা আৰু আন কেইগৰাকীমান অভিজ্ঞ ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু প্ৰযোজনা পৰিস্মিতা দিহিঙীয়া আৰু অৰুণিমা গোস্বামীৰ।

oooo

অলিম্পিকত পদক বিজয়ী বক্সাৰ লাভলীনা বৰগোঁহাইয়ে বিশ্ব বক্সিং প্ৰতিযোগিতাত ভাৰতীয় বক্সিং দলটোক প্ৰতিনিধিত্ব কৰিব। ইংলেণ্ডৰ লিভাৰপুলত অহা ৪ ছেপ্তেম্বৰৰ পৰা ১৪ ছেপ্তেম্বৰলৈ এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

oooo

মানচেষ্টাৰত অনুষ্ঠিত এণ্ডাৰ্ছন-তেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলত আজি তৃতীয় দিনৰ খেলত ইংলেণ্ড প্ৰথম ইনিংছত শক্তিশালী স্থিতিত উপনীত হৈছে। কালি প্ৰথম ইনিংছত দুটা উইকেটৰ

বিনিময়ত সংগ্ৰহ কৰা ২২৫ ৰাণৰ পৰা ইংলেণ্ডে আজিৰ খেল আৰম্ভ কৰি জ' ৰুটৰ ৩৮ সংখ্যক শতৰাণৰ সহায়ত বাতৰি যুগুতোৱাৰ পৰলৈকে ৪টা উইকেটত ৪৭৩ ৰান কৰি খেলি আছে।

ইয়াৰ পূৰ্বে ভাৰতে কালি প্ৰথম ইনিংছত আটাইকেইটা উইকেটৰ বিনিময়ত ৩৫৮ ৰাণ সংগ্ৰহ কৰিছিল।

০০০০

ঃঃ সমাপ্ত ঃঃ